# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 20-08-2024
**Time :** 19.10 hrs

## Assamese Evening Bulletin

### <u>HEADLINES</u>

১। ভাৰত আৰু মালয়েছিয়াই শ্ৰম আৰু কৰ্মসংস্থাপন, আয়ুৰ্বেদ আৰু পৰম্পৰাগত ঔষধ, ডিজিটেল প্ৰযুক্তি, সংস্কৃতি, পৰ্যটন আৰু যুৱ তথা ক্ৰীড়া ক্ষেত্ৰৰ সহযোগিতাৰ কেইবাখনো চুক্তিত স্বাক্ষৰ কৰিছে।

২। উচ্চতম ন্যায়ালয়ে চিকিৎসাকৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে।

৩। বিজেপিয়ে ৰাজ্যৰ দুখন ৰাজ্যসভা আসনৰ বাবে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছনৰঞ্জন দাসক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুদিনত উত্তৰ-পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। *আৰু*

৫। চৰকাৰে কৈছে যে, দেশত ২০২৩-২৪ বিত্তীয় বৰ্ষত ৭ কোটি ৩০ লাখ নতুন ইণ্টাৰনেট গ্ৰাহক আৰু ৭ কোটি ৭০ লাখ নতুন ব্ৰডবেণ্ড সেৱাৰ গ্ৰাহক সংযুক্ত হৈছে।

০০০০

ভাৰত আৰু মালয়েছিয়াই শ্ৰম আৰু কৰ্মসংস্থাপন, আয়ুৰ্বেদ আৰু পৰম্পৰাগত ঔষধ, ডিজিটেল প্ৰযুক্তি, সংস্কৃতি, পৰ্যটন আৰু যুৱ তথা ক্ৰীড়া ক্ষেত্ৰৰ সহযোগিতাৰ কেইবাখনো চুক্তিত স্বাক্ষৰ কৰিছে। দুয়োখন দেশে লগতে ৰাজহুৱা প্ৰশাসন, শাসন ব্যৱস্থাৰ সংস্কাৰ আৰু পাৰস্পৰিক সহযোগিতাৰ ক্ষেত্ৰতো চুক্তি সম্পাদন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী দাটোচেৰী অনৱাৰ বিন ইব্ৰাহিমৰ মাজত অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ পাছত এই চুক্তিকেইখন স্বাক্ষৰিত হয়। পাছত প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ প্ৰেছ বিবৃতিত কয় যে, ভাৰত আৰু মালয়েছিয়াই উভয় দেশৰ মাজৰ বৰ্ধিত কৌশলগত সহযোগিতাক সৰ্বাত্মক কৌশলগত সহযোগিতালৈ উত্তৰণ ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে দুয়োখন দেশৰ মাজত কৌশলগত সহযোগিতাই ১০ বছৰত ভৰি দিছে আৰু বিগত দুটা বছৰত এই সহযোগিতাই নতুন গতি লাভ কৰিছে। প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত দুয়োপক্ষই পাৰস্পৰিক সহযোগিতা সকলো বিষয় সম্পৰ্কে বিশদভাৱে আলোচনা কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, ভাৰত আৰু মালয়েছিয়াৰ মাজত এতিয়াও অৰ্থনৈতিক সহযোগিতাৰ অপাৰ সম্ভাৱনা আছে। তেওঁ কয় যে, দুয়ো পক্ষই প্ৰতিৰক্ষা ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাৰ নতুন সম্ভাৱনা সম্পৰ্কেও আলোচনা কৰিছে। ভাৰত আৰু মালয়েছিয়াই সন্ত্ৰাসবাদ আৰু উগ্ৰবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় দি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে বিত্ত প্ৰযুক্তি, অৰ্ধপৰিবাহী, প্ৰতিৰক্ষা উদ্যোগ, কৃত্ৰিম বুদ্ধিমত্তা আৰু কোৱাণ্টাম প্ৰযুক্তিৰ লেখিয়া নতুন প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে দুয়োপক্ষই ভাৰতৰ ইউ পি

আইক মালয়েছিয়াৰ পেনেটৰ সৈতে সংযুক্ত কৰাৰ বাবে কাম কৰিব। শ্ৰীমোদীয়ে কয় যে, ভাৰত আৰু মালয়েছিয়াৰ মাজত বাণিজ্য এতিয়া ভাৰতীয় টকা আৰু মালয়েছিয়াৰ ৰিংগিটৰ জৰিয়তে কৰিব পৰা যায়। যোৱা বছৰ মালয়েছিয়াৰ পৰা ভাৰতত ৫০০ কোটি ডলাৰ বিনিয়োগ হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে মালয়েছিয়া আছিয়ান আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দেশৰ গুৰুত্বপূৰ্ণ সহযোগী আৰু এইবাবেই ভাৰতে দেশখনক বিশেষ অগ্ৰাধিকাৰ দিয়ে। তেওঁ কয় যে, ভাৰতে ২০২৫ বৰ্ষত আছিয়ানৰ অধ্যক্ষতাৰ বাবে মালয়েছিয়াৰ পূৰ্ণ সমৰ্থন কৰিব।

এই উপলক্ষে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী অনৱাৰ বিন ইব্ৰাহিমে কয় যে, দুয়োখন দেশে অধিক সহযোগিতা কৰিব পৰা ভালেমান ক্ষেত্ৰ আছে। তেওঁ কয় যে, ভাৰত চহকী ঐতিহ্য, সংস্কৃতি আৰু সভ্যতাৰ এখন মহান দেশ।

০০০০

উচ্চতম ন্যায়ালয়ে চিকিৎসাকৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন বিচাৰপীঠে আজি কলকাতাৰ এখন চিকিৎসালয়ৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰৰ শুনানি গ্ৰহণ কৰি কাৰ্যবাহিনীটোক তিনি সপ্তাহৰ ভিতৰত অন্তৰ্বৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে ন্যায়ালয়ে মহিলাসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে সমগ্ৰ দেশত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বাবে দেশৰ সকলো চিকিৎসকক লৈ এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। সমগ্ৰ দেশত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ কামৰ অসুৰক্ষিত বাতাবৰণক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ন্যায়ালয়ে কয় যে বৰ্তমানৰ আইনে চিকিৎসকসকলৰ আনুষ্ঠানিক সুৰক্ষাৰ বিষয়টো পৰ্যাপ্তভাৱে সমাধান নকৰে। ন্যায়ালয়ে কয় যে প্ৰণালীগত বিষয়সমূহ সমাধানৰ উদ্দেশ্যে ই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ বিষয়টো সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। ন্যায়ালয়ে লগতে ৰাষ্ট্ৰই তৃণমূল পৰ্যায়ৰ পৰিৱৰ্তনৰ বাবে অন্য এটা ধৰ্ষণ আৰু হত্যালৈ বাট চাব নোৱাৰে। ছাৰ্জন ভাইচ এডমিৰেল আৰ ছৰিন, ডাঃ ডি নাগেশ্বৰ ৰেড্ডী, ডাঃ এম শ্ৰীনিবাস, ডাঃ প্ৰতিমা মূৰ্তি, ডাঃ গোৱৰ্ধন দত্তপুৰী, ডাঃ সুমিত্ৰা ৰাৱট, দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ হৃদৰোগ বিভাগৰ মুৰব্বী প্ৰফেছৰ অনিতা চাক্সেনা, মুম্বাইৰ গ্ৰাণ্ট চিকিৎসা মহাবিদ্যালয়ৰ ডীন প্ৰফেছৰ পল্লৱী ছাপ্ৰে, অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ স্নায়ুতত্ব বিভাগৰ ডাঃ পদ্মা শ্ৰীবাস্তৱক লৈ এই কাৰ্যবাহিনী গঠন কৰা হৈছে। বৃহস্পতিবাৰে গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। বিচাৰপীঠখনে কয় যে মহাৰাষ্ট্ৰ, কেৰালা, তেলেংগানা আদি ৰাষ্ট্ৰই চিকিৎসকৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্যিক আইন যুগুতাই উলিয়াইছে। অৱশ্যে এই আইনসমূহত প্ৰতিষ্ঠানগত সুৰক্ষা মান বিষয়ক আসোঁৱাহ দূৰ কৰাৰ কোনো ব্যৱস্থা নাই।

০০০০

বিজেপিয়ে কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাক লৈ তৃণমূল কংগ্ৰেছ নেতৃত্বাধীন পশ্চিমবংগ চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰ ড০ শুধাংশু ত্ৰিবেদীয়ে এইবুলি অভিযোগ তোলে যে গোচৰটোৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সাক্ষ্য প্ৰমাণ ধ্বংস

কৰাৰ চেষ্টা চলোৱা হৈছিল।  এই ঘটনাক লৈ  সৰ্বোচ্চ ন্যায়ালয়ে পশ্চিমবংগ চৰকাৰৰ বিৰুদ্ধে উত্থাপন কৰা প্ৰশ্নসমূহ গুৰুতৰ বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

ডাঃ ত্ৰিবেদীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ঘটনাৰ বলি হোৱা চিকিৎসকগৰাকীক ন্যায় প্ৰদানৰ বাবে চেষ্টাৰ অকণো ক্ৰুটি নকৰে। আই এন দি আই মিত্ৰজোটৰ সহযোগী দলৰ চৰকাৰ থকা ৰাজ্যসমূহত সংবিধান বিপদত পৰিছে বুলিও তেওঁ অভিযোগ তোলে।

০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে কলকাতা আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ তদন্ত সংক্ৰান্তত সামাজিক মাধ্যমযোগে প্ৰচাৰিত এখন পত্ৰ সন্দৰ্ভত জনসাধাৰণক সকিয়াই দিছে। চিবিআইয়ে পত্ৰখন আৰু পত্ৰখনৰ বিষয়বস্তু ভূৱা বুলি অভিহিত কৰিছে। পত্ৰখনত তদন্ত প্ৰত্যাহাৰ কৰিব বিচৰা এগৰাকী চিবিআই বিষয়াৰ নাম উল্লেখ আছে। চিবিআইয়ে তদন্তকাৰী সংস্থাটোত এনে কোনো কৰ্মৰত বিষয়া নাই বুলি স্পষ্ট কৰি দিছে আৰু জনসাধাৰণক ভূৱা পত্ৰখনত ভোল নাযাবলৈ আহ্বান জনাইছে।

০০০০

বিজেপিয়ে ৰাজ্যৰ দুখন ৰাজ্যসভা আসনৰ বাবে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছনৰঞ্জন দাসক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন আৰু প্ৰয়োজন হলে ৩ ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিৰোধী কংগ্ৰেছ দলে ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীত্ব প্ৰদান নকৰাৰ সিদ্ধান্তলৈ চাই বিজেপি প্ৰাৰ্থী দুগৰাকী জয়ী হোৱাটো প্ৰায় নিশ্চিত হৈছে। ইয়াৰ পূৰ্বে আজি প্ৰাৰ্থীৰ নাম থিৰাং কৰাৰ বাবে নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ পাছত বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে ৰাজ্যসভাৰ দুয়োখন আসনৰ বাবে প্ৰাৰ্থী দুগৰাকীৰ নাম চূড়ান্ত কৰাৰ কথা ঘোষণা কৰে। উল্লেখযোগ্য যে ৰাজ্যসভাৰ সাংসদ সৰ্বানন্দ সোণোৱাল আৰু কামাখ্যা প্ৰসাদ তাছা এইবাৰৰ লোকসভা নিৰ্বাচনত জয় হোৱাৰ পৰিপ্ৰেক্ষিতত এই আসন দুখন খালী হৈছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুদিনত উত্তৰ-পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে এই সময়ছোৱাত বাংলাদেশৰ মধ্য ভাগত সৃষ্টি হোৱা নিম্নচাপৰ প্ৰভাৱত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড আৰু ওড়িশাকে ধৰি দেশৰ পূব অংশতো পৰৱৰ্তী কেইদিনমানত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

০০০০

চৰকাৰে কৈছে যে, দেশত ২০২৩-২৪ বিত্তীয় বৰ্ষত  ৭ কোটি ৩০ লাখ নতুন ইণ্টাৰনেট গ্ৰাহক আৰু ৭ কোটি ৭০ লাখ নতুন ব্ৰডবেণ্ড সেৱাৰ গ্ৰাহক সংযুক্ত হৈছে। যোগাযোগ মন্ত্ৰালয়ে কৈছে যে এই সময়ছোৱাত টেলিফোন উপভোক্তাৰ সংখ্যা ৩ কোটি বৃদ্ধি পাই প্ৰায় ১ কোটি ২০ লাখ হৈছে। ভাৰতীয় দূৰসংযোগ নিয়ন্ত্ৰণ

প্ৰাধিকৰণৰ বাৰ্ষিক প্ৰতিবেদন অনুসৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত ইণ্টাৰনেট সেৱাৰ গ্ৰাহক প্ৰায় ৮৮ কোটিৰ পৰা ৯৫ কোটি ৪০ লাখলৈ বৃদ্ধি পাইছে। একেদৰে ব্ৰডবেণ্ড সেৱাৰ উপভোক্তাৰ সংখ্যা ৯২ কোটি ৪০ লাখলৈ বৃদ্ধি পাইছে। দূৰসংযোগ প্ৰাধিকৰণৰ প্ৰতিবেদন অনুসৰি এই সময়ছোৱাত দেশত সামগ্ৰিক দূৰসংযোগ ঘনত্ব ৮৪ দশমিক ৫ শতাংশৰ পৰা ৮৫ দশমিক ৭ শতাংশলৈ বৃদ্ধি পাইছে। প্ৰাধিকৰণে লগতে কৈছে যে, ২০২৩-২৪ বৰ্ষত মুঠ সমন্বিত ৰাজহ ২০২২-২৩ বৰ্ষৰ প্ৰায় ২ লাখ ৭০ হাজাৰৰ পৰা ৫০০ কোটি টকালৈ বৃদ্ধি পাইছে।

০০০০

সমাপ্ত